## Topic of the Home Assignment

# Various Issues of Environmental Pollution

Report Submitted to

Mayang Anchalik College

Rajamayang, Morigaon, Assam- 782411


Name : Mawkar Bekar

Class : B. A. 4th Semester (Non - CBCS)

Roll No: 0065


**Under the Guidance of**

Samir Kumar Nath
Nodal Teacher
Environmental Studies
Mayang Anchalik College
Rajamayang, Morigaon, Assam- 782411

# CERTIFICATE

This is to certify that the Field Report entitled **Various Issues of Environmental Pollution** is a bonafide record of independent research work by......Manika Deka...... under my supervision during the session 2019-20 (Non-CBCS), submitted to Mayang Anchalik College. This field Report has not been previously formed by any student, research scholar.

Principal
Mayang Anchalik College
Date.................

Signature of the Supervisor

# ASSIGNMENT ON ENVIRONMENT

GUIDED BY : Mr. SAMIR NATH

SUBMITTED BY~

NAME : MANIKA DEKA
CLASS : BA 4th SEM
CLASS ROLL NO : 149
EXAM ROLL NO : UA-181-340-0065
COLLEGE : MAYONG ANCHALIC COLLEGE

09

1 a. what dacs the Radioctive pollution Include?

Ans: তেজষ্ক্ৰীয় প্ৰদূষণৰ মূল উৎসবোৰ হৈছে নিউক্লীয় উপাদান, নিউক্লীয় বিদ্যুৎ প্ৰকল্প, নিউক্লীয় অস্ত্ৰ আৰু ইহতৰ পৰীক্ষা নিৰীক্ষা। ইয়াৰ উপৰিও চিকিৎসা বিজ্ঞান সুশ্ৰূষা পদ্ধতিও ইয়াৰ অন্তৰ্ভুক্ত।

b. what do you mean by SPM?

Ans: SPM মানে হ'ল Suspended Perticulare Matter, ইয়াক গোটা আৰু তৰল এই দুটা ভাগত ভাগ কৰা হৈছে। সেইবোৰ বায়ুৰ দ্বাৰা খিহলি ঔদ্যোগীকভাৱে নাইবা প্ৰাকৃতিক ভাৱে সৃষ্টি হব পাৰে।

C. what is the most important indore air pollutant gas?

Ans: বায়ু প্ৰদূষণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভিতৰৰা গেছটো হ'ল কাৰ্বনমনক্সাইড।

d. In which way Carboxyhaemaglabin is prepared in our blood?

Ans: যেতিয়া হিমগ্লবিন অক্সিজেনৰ পৰিবৰ্তে কাৰ্বনমনক্সাইডৰ সৈতে সংযুক্ত হয় তেতিয়া আমাৰ তেজত কাৰ্বক্সিহিমগ্লবিনৰ সৃষ্টি হয়।

e. what is the measurement for expressing noise?

Ans: কোলাহল জোখা এককটো হ'ল ডেচিবেল।

f. what do you mean by Silence zoon?

Ans: নীৰৱ অঞ্চল মানে হ'ল এনেকোৱা এটা শান্তিপূৰ্ণ অঞ্চল য'ত সেই অঞ্চলটোৰ ওচৰত তেজষ্ক্ৰীয় পোহিত পোৱা নাযায়, দূৰত্বহে তেজষ্ক্ৰীয় পোহিত অঞ্চল পোৱা যায়।

g. What do you mean by BOD (Biological oxygen Demand)

Ans: BOD ক Biological oxygen Demand দৈনন্দিন জীৱনত জীৱই যেতিয়া প্ৰাণদ অক্সিজেনৰ অনুভৱ কৰে তেতিয়া এটা নিৰ্দিষ্ট উষ্ণতাত আৰু নিৰ্দিষ্ট সময়ত পানীত থকা মৌলিক উপাদানবোৰ ভাঙি অক্সিজেনৰ ঘাটি পূৰণ কৰে। ইয়াকে Biological oxygen Demand বুলি কোৱা হয়।

h) Where 'Minamata' and Itai itai disease were seen?

Ans: Minamata বেমাৰটি জাপানৰ মিনামাটা চিটিত হৈছিল।

Itai itai বেমাৰটি Jinaza river, Toyama ত হৈছিল।

I. Mention two green house gases?

Ans: দুটা গ্ৰীণ হাউচ গেছ্ হল অজন আৰু মিথেন।

J. What is the Full form of CFCs?

Ans: CFCs ৰ সম্পূৰ্ণ নামটি হল ক্লৰফ্লৰ কাৰ্বন।

২/ চমুটোকা -

① <u>বায়ু প্ৰদূষণ</u> :-

* জীৱজগতখন জীয়াই থাকিবলৈ বায়ু অত্যন্ত আৱশ্যকীয় মৌলিক উপাদান। এই বায়ুত অক্সিজেন, নাইট্ৰজেন, কাৰ্বনডাই অক্সাইড আদি নানাবিধ গেছ এক নিৰ্দিষ্ট অনুপাতত থাকে। যেতিয়া মানুহৰ কাৰ্যকলাপৰ ফলত নাইবা অন্যান্য কোনো প্ৰাকৃতিক কাৰণত বায়ুত থকা এই গেছবোৰৰ অনুপাত বিঘ্নিত হয় নাইবা বায়ুত কিছুমান অবাঞ্চিত গেছৰ অথবা অন্যান্য পদাৰ্থৰ মাত্ৰা সৰ্বপেক্ষা বাঢ়ি যায় আৰু ই মানুহ, আন জীৱ জন্তু নাইবা উদ্ভিদৰ বাবে ক্ষতিকাৰক হয় তেতিয়া তেনে বায়ুক দূষিত বায়ু আৰু যি পদ্ধতিত বায়ু দূষিত হয় তাক বায়ু প্ৰদূষণ বুলে।

* বায়ু প্ৰদূষণৰ কাৰক সমূহ —

① <u>নগৰীকৰণ</u> :- অঘনে গঢ়ি উঠা নগৰবোৰ বায়ু প্ৰদূষণৰ এক মুখ্যকাৰক। নগৰ সমূহৰ গৃহ নিৰ্মাণত ব্যৱহাৰ কৰা বিভিন্ন আচবাব যেনে ইটা, বালি, চিমেণ্ট আদিৰ পৰা দূষিত ৰেডন গেছৰ উৎপত্তি হয়। নগৰ অঞ্চলত যিহেতু কলকাৰখানা, যানবাহন আদিৰ ব্যৱহাৰ বেছি সেই কাৰণেই এই অঞ্চলবোৰৰ বায়ুমণ্ডলত ছালফাৰ ডাই অক্সাইডৰ গাঢ়তা বেছি হয়। আমাৰ অজ্ঞাতেই বছৰি প্ৰায় ৩৩৪ নিযুত টন দূষিত আবৰ্জনা নগৰ বিলাকত সৃষ্টি হব ধৰিছে। জ্বলীকৃত

আবৰ্জনা আৰু নগৰ-নগৰ অঞ্চলৰ নৰ্দমা আবৰ্জনাত থকা জৈৱ পদাৰ্থৰ পচনক্ৰিয়াত হাইড্ৰজেন ছালফাইড গেছ উৎপন্ন হয়। তাৰপাৰ সহায়ত অক্সিজেন যুক্ত হৈ ছালফাৰ ডাই অক্সাইডৰ সৃষ্টি হয়।

(ii) উদ্যোগীক প্ৰদূষণ কাৰক: নানা ধৰণৰ কলকাৰখানাবায়ু প্ৰদূষণৰ প্ৰধান উৎস। এই উদ্যোগসমূহৰ পৰা নিৰ্গত হোৱা কাৰ্বনমনক্সাইড, কাৰ্বন ডাই অক্সাইড, ছালফাৰ ডাই অক্সাইড, হাইড্ৰজেন ছালফাইড, আৰু হাইড্ৰকাৰ্বন আদি গেছে বায়ু প্ৰদূষিত কৰে। তাপ বিদ্যুৎ কেন্দ্ৰ তথা তেল শোধানাগাৰ আদিত ব্যৱহাৰ কৰা কয়লা, পেট্ৰলিয়াম, লিগনাইট আদিৰ দহনৰ ফলত এই গেছসমূহৰ সৃষ্টি হয়।

(iii) যান বাহনে সৃষ্টি কৰা প্ৰদূষণ: নানা ধৰণৰ যান-বাহনৰ পৰা নিৰ্গত হোৱা ধোঁৱা বায়ু প্ৰদূষণৰ বাবে শতকৰা 60 ভাগ দায়ী। এই ধোঁৱাত কাৰ্বন-মনক্সাইড, কাৰ্বন-ডাই অক্সাইড, নাইট্ৰজেন অক্সাইড আৰু হাইড্ৰকাৰ্বন থাকে। প্ৰতি গেলন পেট্ৰল দহনৰ ফলত 3 পাউণ্ড কাৰ্বন মনক্সাইড আৰু 15 পাউণ্ড নাইট্ৰজেন অক্সাইড সৃষ্টি হয় আৰু এইবোৰৰ 4,00,000 - 20,00,000 C.C বায়ু দূষিত কৰিব পাৰে। তাৰোপৰি যান বাহনৰ ধোঁৱাৰ লগত লীড অক্সাইড নিৰ্গত হয়। পেট্ৰলৰ ক্ষমতা বঢ়াবৰ কাৰণে প্ৰতি লিটাৰ পেট্ৰলৰ লগত 4 গ্ৰামপৰ্যন্ত লীড মিহলাই দিয়ে। এই লীড বা সীহ দেহৰ বাবে অতি ক্ষতিকাৰক। উশাহৰ লগত নাইবা খাদ্য বস্তুৰ সহায়ত এই সীহ মানুহৰ শৰীৰত প্ৰবেশ কৰে। সীহৰ মাত্ৰা প্ৰতি 100 মি. লি. তেজত 20µg হলে বিষক্ৰিয়া আৰম্ভ হয়।

(iv) ইন্ধনৰ দহন: ইন্ধন হিচাপে ব্যৱহাৰ কৰা কয়লা, গোবৰ, খৰি, কেৰাচিন আদিৰ অসম্পূৰ্ণ দহনৰ ফলত কাৰ্বন মনক্সাইড আদি দূষিত গেছৰ সৃষ্টি হয়। কয়লাত প্ৰচুৰ পৰিমাণে ছালফাৰ থাকে আৰু দহনৰ ফলত ছালফাৰ ডাই অক্সাইড হিচাপে বায়ুমণ্ডললৈ নিৰ্গমন হৈ বায়ুক দূষিত কৰে। ইয়াৰ উপৰিও অলাগতিয়াল বস্তুৰ দহন, ধূমপান আদিয়েও বায়ুমণ্ডল প্ৰদূষণত সহায় কৰে।

(v) কৃষিকাৰ্যৰ পৰা প্ৰদূষণ: ভাৰত এখন কৃষি প্ৰধান দেশ। এটি সমীক্ষা মতে 1952 চনৰ বছৰটোত শস্যৰ উৎপাদন আছিল মাত্ৰ 52 নিযুত টন কিন্তু তাৰ বিপৰীতে 1999 চনৰ বছৰটোত উৎপাদন বাঢ়ি 200 নিযুত টন হৈছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে অধিক উৎপাদন লাভৰ বাবে কৃষিকাৰ্যত নানাধৰণৰ ৰাসায়নিক আৰু কীটনাশক দৰৱ আদি ব্যৱহাৰ কৰা হয়। কীটনাশক তথা আগাছানাশক দৰৱ আদিৰ পৰা আৰ্গেনিক ফছফেট, ক্লৰিনযুক্ত হাইড্ৰকাৰ্বন, আৰ্ছেনিক সীহ আদি ওলাই বায়ুৰ লগত মিহলি হৈ বায়ু দূষিত কৰে।

(vi) তেজষ্ক্ৰিয় আৰু আনপদাৰ্থকণা প্ৰদূষক: নানা ধৰণৰ বিস্ফোৰক আৰু আণৱিক চুলাৰ ব্যৱহাৰৰ ফলত কিছুমান পদাৰ্থ ধূলিকণা ৰূপে বায়ুমণ্ডলত সৃষ্টি হয় আৰু তেজষ্ক্ৰিয় ৰশ্মি যেনে $\alpha, \beta, \gamma$ আদি প্ৰক্ষেপণ কৰে। ইয়াৰ উপৰিও আন কিছুমান পদাৰ্থ বায়ুমণ্ডলত জলীয় আৰু কঠিন এই দুটা অৱস্থাতে ভাহি থাকে। এই পদাৰ্থবোৰত কেডমিয়াম, ক্ৰমিয়াম, ভেনাডিয়াম ইত্যাদি বিষাক্ত ধাতু মিশ্ৰিত হৈ থাকে।

## (ii) গোলকীয় উত্তাপ :

* বিভিন্ন উৎসৰ পৰা ওলোৱা ধূলি, ধোঁৱা বাষ্প আদিয়ে বায়ুমণ্ডলক আচ্ছাদিত কৰি কুঁৱলী সৃষ্টি কৰে। এই কুঁৱলীৰ ফলত বায়ুমণ্ডলৰ অস্বচ্ছতা বাঢ়ে। বায়ুমণ্ডলত কাৰ্বন ডাই অক্সাইডৰ পৰিমাণ বাঢ়ি গলে সূৰ্যৰ পৰা বিকাৰিত ৰশ্মি কুঁৱলী আৰু কাৰ্বন ডাই অক্সাইডৰ তৰপ ভেদ কৰি ওলাই যাব নোৱাৰে। ফলত পৰিবেশৰ উষ্ণতা বাঢ়ে। ইয়াক সেউজ গৃহ প্ৰভাৱ বুলি কোৱা হয়। মুখ্য সেউজগৃহ গেছবোৰ হল- কাৰ্বন ডাই অক্সাইড, অজন, মিথেন, নাইট্ৰাছ অক্সাইড ক্লৰ ফ্লুৰ কাৰ্বন আৰু জলীয় বাষ্প।

সাধাৰণতে গড় হিচাপে পৃথিৱীৰ উষ্ণতা হল 15° ছেন্টিগ্ৰেড আৰু এই উষ্ণতা জীৱ জগতত বাঢ়ি থকাৰ বাবে অনুকূল উষ্ণতা। সেউজগৃহ গেছবোৰৰ অনুপস্থিতিত এই উষ্ণতা 18° ছেন্টিগ্ৰেড হলহেঁতেন। অৰ্থাৎ সেউজগৃহ গেছৰ উপস্থিতিৰ বাবে উষ্ণতা 33° ছে. বৃদ্ধি পায়। কিন্তু বায়ুমণ্ডলত সেউজগৃহ গেছসমূহৰ পৰিমাণ বৃদ্ধিৰ ফলত ভূ পৃষ্ঠৰ উষ্ণতা ক্ৰমান্বয়ে বাঢ়ি আছে। এক সমীক্ষাৰ পৰা জানিব পৰা গৈছে যে বিগত 30 বছৰৰ ভিতৰত পৃথিৱীৰ উষ্ণতা 0.5° ছেন্টিগ্ৰেড বৃদ্ধি পাইছে। যদি সেউজগৃহ গেছ সমূহৰ ক্ৰিয়াৰ বাবে জগতীয় গেছ সমূহে বৰ্তমানৰ হাৰতে বৃদ্ধি পাই থাকে তেনেহলে অহা 2030 চনত গোলকীয় উষ্ণতা 1.5° ছেন্টিগ্ৰেড ৰ পৰা 4.5° ছে পৰ্যন্ত বৃদ্ধি পাব পাৰে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতত ভাৰতত 1° ছে ৰ পৰা 3.5° ছে পৰ্যন্ত উষ্ণতা বৃদ্ধি পাব।

* সেউজগৃহ গেছসমূহ- মানুহৰ অবিবেচক আৰু অপৰিকল্পিত কাৰ্যৰ ফলত বায়ুমণ্ডলত সেউজগৃহ গেছসমূহৰ পৰিমাণ বৃদ্ধি পায়। সূৰ্যৰ পোহৰ সেউজগৃহৰ আৱৰণেদি পাৰ হৈ আহি ভূ পৃষ্ঠৰ ওপৰত পৰে আৰু ভূ পৃষ্ঠই ইয়াৰ পুনৰ প্ৰতিফলিত কৰি পঠিয়াই দিয়ে। কিন্তু সেউজগৃহ আৱৰণে আৰু কাৰ্বন ডাই অক্সাইডৰ তৰপে এই তাপখিনি সম্পূৰ্ণ ৰূপে পুনৰ ঘূৰি যোৱাত বাধা প্ৰদান কৰে। ফলত এই তাপে পৃথিৱী পৃষ্ঠৰ উষ্ণতা ক্ৰমাৎ বঢ়াই দিয়ে। বায়ুমণ্ডলৰ ট্ৰপোস্ফিয়েৰত থকা মুখ্য সেউজ গৃহ গেছ সমূহৰ বিষয়ে তলত আলোচনা কৰা হল ——

ⓐ কাৰ্বনডাই অক্সাইড : গোলকীয় উত্তাপ বৃদ্ধিত 50শতাংশ অবিহনা যোগাই বায়ুমণ্ডলত থকা কাৰ্বনডাই অক্সাইড গেছে। এই গেছৰ প্ৰধান উৎস সমূহ হল — জীবাশ্ম ইন্ধনৰ দহন (67%) আৰু বনাঞ্চল ধ্বংস, বিভিন্ন কাৰণত ভূমি পৰিষ্কাৰ আৰু দহন (33%) যিকোনো কাৰ্বনযুক্ত পদাৰ্থৰ দহন আদি। কাৰ্বন ডাই অক্সাইড বায়ুমণ্ডলত বায়ুমণ্ডলত প্ৰায় 550 বছৰলৈ থাকে। বায়ুমণ্ডলত ইয়াৰ গাঢ়তা 1990 চনত 355ppm আছিল কিন্তু তাৰ পিছত প্ৰতি বছৰে এই গাঢ়তা 1.5 শতাংশ হাৰত বাঢ়ি আছে।

ⓑ ক্লৰ'ফ্লৰ কাৰ্বন : গোলকীয় উত্তাপ বৃদ্ধিত ক্লৰফ্লৰকাৰ্বনে 24 শতাংশ অবিহনা যোগাই। তাৰোপৰি এই ক্ল'ৰফ্লৰকাৰ্বন বায়ুমণ্ডলৰ ষ্ট্ৰেটস্ফিয়াৰত থকা অজন স্তৰৰ বিয়োগৰ মূল কাৰণ। ইয়াক কেইবাটাও ৰূপত পোৱা যায়। তাৰে ভিতৰত CFC11 আৰু CFC12 ই প্ৰধান। ক্লৰফ্লৰ কাৰ্বনৰ মূল উৎস সমূহ হল শীত তাপ নিয়ন্ত্ৰিত যন্ত্ৰ, ফ্ৰীজ, সুগন্ধি স্প্ৰে, উদ্যোগীক আবৰ্জনা, প্লাষ্টিক ফম উৎপাদন, এৰ'চ'ল, ইত্যাদি। চি.এফ.চি ৰ বায়ুমণ্ডলৰ ষ্ট্ৰেটস্ফিয়াৰ স্তৰ ভুকি পাবলৈ 10-15 বছৰ লাগে। কিন্তু ইয়াৰ এটা অনুৱে কাৰ্বনডাই অক্সাইডতকৈ 1500-7000 গুণ বেছি তাপ শোষিত কৰি লব পাৰে।

ⓒ মিথেন : গোলকীয় উত্তাপ বৃদ্ধিত মিথেন গেছে 18 শতাংশ অবিহনা যোগাই। ইয়াৰ মূল উৎস হল পিতনি, খালনী, প্ৰকৃতিৰ আদ্ৰ অঞ্চল, গৰু, মহ, ভেড়া আৰু উই পৰুৱাৰ পাচন নলী ইত্যাদি। এই উল্লেখিত স্থান সমূহত বেক্টেৰিয়াই মৃত জৈৱ পদাৰ্থ সমূহক সৰল অৱস্থালৈ অনা প্ৰক্ৰিয়াত মিথেন গেছৰ সৃষ্টি হয়। তেল আৰু প্ৰাকৃতিক গেছৰ উৎপাদন আৰু ব্যৱহাৰ জমা জমা জৈৱ পদাৰ্থৰ অসম্পূৰ্ণ দহন ইত্যাদিয়েও মিথেন গেছ উৎপন্ন হোৱাত সহায় কৰে। মিথেন গেছ বায়ুমণ্ডলত 7-10 বছৰলৈ থাকে। গোলকীয় উষ্ণতা বৃদ্ধিত মিথেন গেছ কাৰ্বন ডাই অক্সাইডতকৈ 25 গুণ বেছি শক্তিশালী, বায়ুমণ্ডলত মিথেনৰ গাঢ়তা 1.675 ppm যদিও বছৰি 1 শতাংশ হিচাপত ইয়াৰ গাঢ়তা বৃদ্ধি হৈ আছে।

(ঘ) নাইট্ৰাছ অক্সাইড: নাইট্ৰাছ অক্সাইডে গোলকীয় উষ্ণতা বৃদ্ধিত 6 শতাংশ বৰঙণি যোগায়। নাইট্ৰাছ অক্সাইডে গোলকীয় উষ্ণতা বৃদ্ধিৰ লগতে অজন স্তৰটো বিভংগন ঘটায়। ইয়াৰ মূল উৎস হৈছে - কয়লা দহন, ৰাসায়নিক সাৰ, মাটি নিকাকৰণ, নাইট্ৰেড যুক্ত ভূ-গৰ্ভৰ পানী ইত্যাদি। ট্ৰপোস্ফিয়েৰত ইয়াৰ আয়ুস 140-190 বছৰ। ইয়াৰ তাপ শোষন কৰিব পৰা ক্ষমতা কাৰ্বন ডাই অক্সাইডতকৈ 230 গুণ বেছি। বায়ুমণ্ডলত নাইট্ৰাছ অক্সাইডৰ গাঢ়তা 0.3ppm কিন্তু বাৰ্ষিক 0.2 শতাংশ হাৰত গাঢ়তা বৃদ্ধি হৈ আছে।

③ মানৱ অধিকাৰৰ ওপৰত এটি বৰ্ণনা দিয়া।

উত্তৰঃ এজন ব্যক্তিয়ে মানুহ হিচাপে এইখন পৃথিৱীখনত উপভোগ কৰিব পৰা অধিকাৰকে মানৱ অধিকাৰ বুলি কোৱা হয়। ৩ শতিকাতেই দাৰ্শনিক কিছুমানৰ অসংকীৰ্ণ মনোভাৱৰ বাবে মানৱ অধিকাৰৰ আধাৰশিলা স্থাপন কৰা হৈছিল যদিও ধৰ্ম নিৰপেক্ষতা আৰ্থসামাজিক অৱস্থা আৰু বিজ্ঞানসন্মত নীতিয়ে সময়ে সময়ে বিপ্লৱৰ সৃষ্টি কৰিছিল।

1948 চনৰ 10 ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰৰ বিশ্বজনীন ঘোষণাৰ পিছৰ পৰাহে মানৱ অধিকাৰৰ বিষয়টো কাৰ্যকৰী হ'বলৈ ধৰিছিল। এই ঘোষণাৰ দ্বাৰা প্ৰত্যেক ব্যক্তিক যিকোনো ধৰণৰ অন্যায় আৰু মানৱ অধিকাৰ খৰ্বৰ বিৰুদ্ধে ৰক্ষণাবেক্ষণ দিবলৈ ধৰা হৈছিল। এই ঘোষণাই মানৱ অধিকাৰ শব্দটো অসামৰিক, ৰাজনৈতিক, অৰ্থনৈতিক সামাজিক আৰু সাংস্কৃতিক অধিকাৰক সামৰি এক বহল অৰ্থত ব্যৱহাৰ কৰিছিল। UNDHRৰ মতে মানৱ অধিকাৰ হ'ল জীয়াই থকাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ, সুৰক্ষাৰ অধিকাৰ, মত প্ৰকাশৰ অধিকাৰ, স্বাধীনভাৱে চলাফুৰা কৰাৰ অধিকাৰ আৰু অংগবদ্ধ হোৱাৰ অধিকাৰ। তাৰোপৰি এই ঘোষণাই আন কিছুমান অধিকাৰো মানৱ অধিকাৰৰ অন্তৰ্ভুক্ত কৰি লৈছিল। যেনে - সম কামত সমান বেতন পোৱাৰ অধিকাৰ, ব্যৱসায় সংঘ গঠন আৰু ইয়াত ভৰ্তি হোৱাৰ অধিকাৰ, স্বাস্থ্যৰ প্ৰতি যত্নৰ অধিকাৰ, শিক্ষাৰ অধিকাৰ, অৱশ্যকীয় সত্বৰ অধিকাৰ ইত্যাদি। মানৱ অধিকাৰক বিশ্বজনীন হিচাপে বিবেচনা কৰা যদিও মানৱ অধিকাৰক উন্নত আৰু উন্নয়নশীল দেশ সমূহৰ মাজত ইয়াৰ প্ৰয়োগত এক বৃহৎ পাৰ্থক্য পৰিলক্ষিত হয়। তৃতীয় বিশ্বৰ দেশ সমূহত মানৱ অধিকাৰ খৰ্বকাৰী প্ৰধান কাৰক সমূহ হ'ল - জনসংখ্যা আৰু দৰিদ্ৰতা। দৰিদ্ৰতাই মানুহৰ মূল্য তথা সন্মান বিঘ্নিত কৰে আৰু সন্মান অবিহনে মানৱ অধিকাৰ অৰ্থহীন হৈ পৰে। প্ৰকৃতাৰ্থত মানৱ অধিকাৰ কথাটো তেতিয়াহে বিচাৰযোগ্য হ'ব যেতিয়া কোনো এজন ব্যক্তিয়ে জীয়াই থকাৰ সুবিধাখিনি কৰি ল'ব পাৰিব। বিশ্ব স্বাস্থ্য সংস্থাৰ এক হিচাপ অনুসৰি পৃথিৱীৰ প্ৰতি পাঁচজন মানুহৰ এজনে পুষ্টিহীনতাত, বিশুদ্ধ খোৱাপানীৰ অভাৱত, উপযুক্ত স্বাস্থ্যকৰ পৰিৱেশৰ

অভাৱত আৰু উপযুক্ত স্বাস্থ্যৰ বাবে প্ৰয়োজনীয় সুবিধাৰ অভাৱত ভোগে, প্ৰতি তিনিজন মানুহৰ এজনে ৰন্ধনৰ বাবে লাগতিয়াল ইন্ধনৰ অভাৱত ভোগে আৰু পাঁচজন মানুহৰ এজন ইমানেই দৰিদ্ৰ যে তেওঁৰবাবে জীৱনটো জীয়াই থকাৰ সংগ্ৰামৰ বাহিৰে আন একো নহয়। প্ৰত্যেক বছৰে বিশ মিলিয়ন লোক সংক্ৰামিত খোৱাপানী সেৱন কৰি মৃত্যু মুখত পৰে। তৃতীয় বিশ্বৰ দেশ সমূহত নিৰক্ষৰতা সমস্যা এটা জলন্ত সমস্যা। এনেকুৱা পৰিস্থিতিত এজন দৰিদ্ৰ লোকে এনেদৰে অনুভৱ কৰে যে তেওঁৰ শিশু সন্তানে কোনোমতে নিজৰ আৰু পৰিয়ালৰ বাবে আৰ্জন কৰক। তেওঁৰ বাবে বিশ্বজনীন শিক্ষা আৰু শিশুশ্ৰমিক নিবাৰণতকৈ জীৱনধাৰণত বাহি থকাটোহে বেছি গুৰুত্বপূৰ্ণ।

ভাৰতবৰ্ষত মানৱ অধিকাৰৰ বিষয়টো বিশেষকৈ দাস প্ৰথা নাৰীৰ নিম্নস্থান, পুলিচৰ জিম্মাত মৃত্যু, নাৰী আৰু সংখ্যা লঘুৰ ওপৰত অত্যাচাৰ, শিশু নিৰ্যাতন, যৌতুক জনিত মৃত্যু, দলিত সমূহৰ ওপৰত অত্যাচাৰ আদি দিশসমূহ সন্নিবিষ্ট কৰা হৈছে। ভাৰতৰ সংবিধানত মানুহৰ জীৱনধাৰা উন্নত কৰাৰ বাবে অসামৰিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অধিকাৰৰ এখন দীঘল তালিকা অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ উপৰিও মানৱ অধিকাৰৰ লগত সংগতি ৰাখি নানা ধৰণৰ আইন যেনে অস্পৃশ্যতা নিৰ্মূলকৰণৰ আইন, যৌতুক নিবাৰণী আইন আদি প্ৰৱৰ্তন কৰা হৈছে। তথাপিও আমাৰ দেশখনত প্ৰায়েই মানৱ অধিকাৰ খৰ্ব কৰা কিছুমান ঘটনা ঘটি আছে। সামাজিক বিভিন্নতা অস্পৃশ্যতা, পিতৃপ্ৰধান সমাজ ব্যৱস্থা ইত্যাদি সামাজিক ব্যাধি এতিয়াও সমাজখনত থাকি মানৱ অধিকাৰৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰি আহিছে। অৰ্থৰ দ্বাৰা ক্ষমতাশালী হৈ পৰা কিছুমান ব্যক্তিয়ে এতিয়াও অসামৰিক স্বাধীনতা আৰু মৌলিক অধিকাৰ উলংঘা কৰি আছে। তাৰোপৰি সাম্প্ৰদায়িক সংঘাত আমাৰ দেশত বৰ্তমান নিত্য নৈমিত্তিক ঘটনাত পৰিণত হৈছে। যেয়েহে এনে এক পৰিস্থিতিত দেশখনৰ সৰ্বাত্মক উন্নতি আৰু শান্তিৰ বাবে মানৱ অধিকাৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাটো

সকলো জনসাধাৰণৰ বাবে আৱশ্যকীয় হৈ পৰিছে।

পৰিবেশ সম্পৰ্কীয় মানৱ অধিকাৰ, উন্নয়নৰ অধিকাৰৰ পৰাই উদ্ভূত হৈছে। 1992 চনৰ আৰ্থ সন্মিলনৰ পিছৰ পৰাই বহনক্ষম উন্নয়নৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰা হয়। তাৰ ঠিক পিছতেই 1994 চনৰ 16 মেত জেনেভাত বহা ৰাষ্ট্ৰসংঘই প্ৰথম প্ৰয়াসে মানৱ অধিকাৰ আৰু পৰিবেশ ঘোষণা পত্ৰখনৰ এক খচৰা প্ৰস্তুত কৰি তুলিয়াই। এই ঘোষণাৰ দ্বাৰা প্ৰত্যেকজন মানুহক এখন সুস্থ সুৰক্ষিত স্বাস্থ্যসন্মত পৰিবেশত জীয়াই থকাৰ অধিকাৰৰ ওপৰত গুৰুত্ব দিয়া হয়। এখন বহনক্ষম সমাজত সকলোৰে প্ৰতি ক্ষমতা, সুৰক্ষা, মানুহৰ মৌলিক প্ৰয়োজনীয়তা আৰু পৰিবেশ সম্বন্ধীয় ন্যায় প্ৰদান কৰা হয়।

অতি দুখৰ বিষয় যে পৃথিৱীৰ উন্নত জাতি সমূহে প্ৰাকৃতিক সম্পদবিলাকৰ পূৰ্ণ ব্যৱহাৰ কৰি উদ্যোগীক বিকাশৰ লগে লগে লাভৱান হয়। কিন্তু তেওঁলোকে এই উদ্যোগ সমূহৰ পৰা নিৰ্গত হোৱা আবৰ্জনা সমূহৰ বিষয়ে দকৈ অলপো আলোচনা কৰি নাচায়। এই আবৰ্জনাবোৰ তেওঁলোকে উন্নয়নশীল দেশসমূহলৈ ৰপ্তানি কৰাৰ ফলশ্ৰুতিত সেই দেশসমূহে আবৰ্জনাৰ পৰা সৃষ্টি হোৱা বিপজ্জনক অৱস্থাৰ সন্মুখীন হব লাগে। এই ক্ষেত্ৰত আটাইতকৈ বেছি ভুক্তভোগী হয় দৰিদ্ৰ আৰু শ্ৰমিক শ্ৰেণীটো। খেলোৱা মানুহ আৰু জনজাতিয় লোকসকলে তেওঁলোকৰ ঘৰবোৰ 'বান্ধ' আৰু আবৰ্জনা পেলোৱা স্থান নিৰ্মাণৰ বাবে ত্যাগ কৰিব লাগে। ফলত তেওঁলোকে মানৱ অধিকাৰৰ পৰা বঞ্চিত হব লগা হয়।

* মানৱ অধিকাৰ আৰু পৰিবেশ ঘোষণা পত্ৰৰ খচৰা ——

তৃতীয় ভাগ — তৃতীয় ভাগত থকা নীতি অনুসৰি প্ৰত্যেক জন ব্যক্তিৰ পৰিবেশ সম্পৰ্কীয় জ্ঞান, শিক্ষা, সজাগতা, আৰু পৰিবেশ সম্পৰ্কীয় সিদ্ধান্তত জনসংযোগ কৰাৰ অধিকাৰ থাকিব লাগিব।

চতুৰ্থ ভাগ: এই ভাগে পৰিবেশ সংৰক্ষণত প্ৰত্যেক ব্যক্তিৰ দায়িত্বৰ বিষয়ে আলোচনা কৰে। এই নীতি মতে ৰাষ্ট্ৰই পৰিবেশক এখন সুধা হিচাপে মানি লব নালাগে। কিন্তু তাৰ বিপৰীতে পৰিবেশ সংৰক্ষণৰ বাবে ধাৰ্য্য কৰা আন্তঃৰাষ্ট্ৰীয় আইন কানুনবোৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগে।

পঞ্চম ভাগ: পঞ্চম আৰু অন্তিমভাগে প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ আৰু বহনক্ষম উন্নয়নৰ বাবে সামাজিক ন্যায় আৰু সমতা প্ৰতিষ্ঠাৰ ওপৰত চকু দিয়ে।